**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-06-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তৰ্জাতিক মাদকদ্ৰব্য অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মাদকদ্ৰব্যৰ অপব্যৱহাৰ ক্ৰমান্বয়ে গোলকীয় প্ৰত্যাহ্বানলৈ পৰিণত হৈছে। মাদকদ্ৰব্য সেৱনৰ ফলত হ'ব পৰা শাৰীৰিক, মানসিক আৰু সামাজিক ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি মাদক দ্ৰব্য মুক্ত এখন সমাজ গঢ়াৰ বাবে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা শক্তিশালী কৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। ডিব্ৰুগড় জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত কালি নিচামুক্ত ভাৰত অভিযানৰ অধীনত সজাগতা ৰেলী উলিওৱা হয়। এই ৰেলীত অংশগ্ৰহণকাৰীসকলে হাতে হাতে প্লেকাৰ্ড, বেনাৰ লৈ মাদকদ্ৰব্যৰ ভয়াৱহতাৰ বিষয়ে সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দিৱস উপলক্ষে সামাজিক মাধ্যমৰ এটা বাৰ্তাত যোৱা ১২ জুনৰ বৰ্তমানলৈকে **নিচামুক্ত ভাৰত পাখৰাৰা** উদযাপন কৰাৰ বাবে মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ'ৰ শলাগ লয়। চলিত বৰ্ষৰ জুন পৰ্যন্ত নিচামুক্ত ভাৰত অভিযানৰ জৰিয়তে ১৫ কোটি ৭৮ লাখৰো অধিক লোকক মাদক দ্ৰব্য সেৱনৰ ভয়াৱহতাৰ বিষয়ে সজাগ কৰা হৈছে। ইয়াৰ ভিতৰত ৫ কোটি ২৬ লাখ যুৱক-যুৱতী আৰু ৩ কোটি ৩১ লাখ মহিলা আছে। দেশৰ ৪ লাখ ৩১ হাজাৰৰো অধিক শৈক্ষিক প্ৰতিষ্ঠানে এইক্ষেত্ৰত সজাগতা বিয়পোৱাৰ বাবে এই অভিযানত অংশগ্ৰহণ কৰিছে। তদুপৰি তৃণমূল পৰ্যায়ত এই প্ৰচেষ্টাক নেতৃত্ব দিবৰ বাবে ২০ হাজাৰৰো অধিক প্ৰশিক্ষিত স্বেচ্ছাসেৱক নিয়োগ কৰা হৈছে।

oooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তিনিচুকীয়া সংমণ্ডলৰ অধীনস্থ দুলীয়াজান-ডিব্ৰুগড় খণ্ডৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব সীমান্ত ৰে'লৱেই কেইবাখনো দূৰণিবতীয়া ৰে'লগাড়ী সম্পূৰ্ণকৈ বৈদ্যুতিক ইঞ্জিনেৰে চলোৱাৰ সিদ্ধান্ত লৈছে। সেই অনুসৰি ডিব্ৰুগড় আৰু নতুন দিল্লীৰ মাজত চলাচল কৰা ১২৪২৪ আৰু ১২৪২৩ নম্বৰৰ ৰাজধানী এক্সপ্ৰেছ, গুৱাহাটী আৰু হাওৰাৰ মাজত চলাচল কৰা শৰাইঘাট এক্সপ্ৰেছ, ৰাজেন্দ্ৰ নগৰ আৰু কামাখ্যাৰ মাজত চলাচল কৰা কেপিটেল এক্সপ্ৰেছ, শিলঘাট আৰু কলকাতাৰ মাজত চলাচল কৰা সাপ্তাহিক কাজিৰঙা এক্সপ্ৰেছ ৰে'লগাড়ীকেইখনৰ সম্পূৰ্ণ যাত্ৰা পথত বৈদ্যুতিক ইঞ্জিন ব্যৱহাৰ কৰা হ'ব। পৰ্যায়ক্ৰমে আন কেইবাখনো ৰে'লগাড়ীও সম্পূৰ্ণৰূপে বৈদ্যুতিক ইঞ্জিনেৰে চলোৱা হ'ব বুলি ৰে'ল বিভাগৰ সূত্ৰই জনাইছে। ইয়াৰ ফলত ডিজেলৰ বাবদ ব্যয় হোৱা বৃহৎ পৰিমাণৰ ধন ৰাহি হোৱাৰ লগতে বায়ু প্ৰদূষণো বহুখিনি নিয়ন্ত্ৰিত হ'ব বুলি আশা কৰা হৈছে।

আনহাতে, ৰে'ল বিভাগে অহা ১ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ সকলো শ্ৰেণীৰ যাত্ৰীৰ ভাৰা সামান্য বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। ক'ভিড মহামাৰীৰ পাছত ভাৰতীয় ৰে'লে এয়ে প্ৰথমবাৰৰ বাবে যাত্ৰী ভাৰা বৃদ্ধিৰ সিদ্ধান্ত

লৈছে। সেই অনুসৰি এক্সপ্ৰেছ আৰু মেইল গাড়ীৰ ক্ষেত্ৰত শ্লিপাৰ শ্ৰেণীৰ ভাৰা প্ৰতি কিলোমিটাৰত ১ পইচাকৈ আৰু শীতোতাপ নিয়ন্ত্ৰিত শ্ৰেণীৰ ক্ষেত্ৰত প্ৰতি কিলোমিটাৰত ২ পইচাকৈ বৃদ্ধি কৰা হৈছে। অৱশ্যে ৫০০ কিলোমিটাৰ তলৰ দূৰত্বৰ সাধাৰণ শ্ৰেণীৰ আৰু উপ-মহানগৰীয় ৰে'ল ভাৰাৰ ক্ষেত্ৰত এই বৃদ্ধি প্ৰযোজ্য নহ'ব।

০০০০০০

অভ্যন্তৰীণ জল পৰিবহণ বিভাগে ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত মাজুলীৰ অফলামুখ-নিমাতী ফেৰী সেৱা অনিৰ্দিষ্টকাললৈ বন্ধ ঘোষণা কৰিছে। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ ক্ৰমান্বয়ে বৃদ্ধি পোৱাত অফলামুখ ঘাটৰ ৰেম্প পানীত বুৰ যোৱাৰ উপৰি পানীৰ সোঁতত উটি অহা কাঠ, মেটেকা আদিৰ পৰা হ'ব পৰা অনাকাংক্ষিত পৰিস্থিতি তথা যাত্ৰীসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি অভ্যন্তৰীণ জল পৰিবহণ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। অৱশ্যে নিমাতী-কমলাবাৰী ঘাটৰ ফেৰী সেৱা অব্যাহত আছে।

০০০০০০

গোলাঘাট জিলাৰ বোকাখাতৰ পাণবাৰী চি আৰ পি এফ শিবিৰত মঙলবাৰে নিশা সংঘটিত গ্ৰেণেড বিস্ফোৰণৰ ঘটনা সংক্ৰান্তত  আৰক্ষীয়ে দুজন যুৱকক আটক কৰিছে। এই ঘটনাত ব্যৱহৃত মটৰ চাইকেলখন চিনাক্ত কৰি আৰক্ষীয়ে মটৰ চাইকেলৰ গৰাকীক আটক কৰি জেৰা অব্যাহত ৰাখিছে। ইপিনে, গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক ৰাজেন সিঙে প্ৰাৰম্ভিক তদন্তত এই ঘটনাৰ সৈতে গঁড়ৰ চোৰাং চিকাৰী অথবা মাদক দ্ৰব্য সৰবৰাহকাৰী জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে পাণবাৰীৰ চি আৰ পি এফৰ শিবিৰলৈ লক্ষ্য কৰি দুৰ্বৃত্তই দলিয়াই থৈ যোৱা গ্ৰেণেড বিস্ফোৰণত অসম আৰক্ষীৰ তিনিজন জোৱান গুৰুতৰভাৱে আহত হয়। আহত জোৱানকেইগৰাকী বৰ্তমান বৰ্তমান বিপদমুক্ত বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত